# স্বাস্থ্য বীমা আঁচনি আৰু মহাত্মা গান্ধী বুনকৰ বীমা যোজনা
# (হস্ততাঁত শিপিনীৰ বাবে)

উন্নয়ন আয়ুক্তৰ কাৰ্যালয় (হস্ততাঁত)
বস্ত্ৰ মন্ত্ৰণালয়, ভাৰত চৰকাৰ

# "স্বাস্থ্য বীমা আঁচনি" (H.I.S.) ৰূপায়ণৰ পথ নিৰ্দেশনা - হস্তত‌াঁত শিপিনীৰ বিশাল কল্যাণমূলক আঁচনিৰ এক উপাদান

**পাতনি ঃ**

কেন্দ্ৰীয় চৰকাৰে হস্তত‌াঁত শিল্পৰ শিপিনীক উপকৃত কৰিব পৰাকৈ ১৯৯২-৯৩ চনৰ পৰা কল্যাণমূলক এক স্বাস্থ্য পেকেজ আঁচনি ৰূপায়ণ কৰিছে। ভাৰত চৰকাৰে হস্তত‌াঁতৰ শিপিনীৰ বাবে ২০০৫-০৬ বৰ্ষত স্বাস্থ্য বীমা আঁচনি প্ৰবৰ্তন কৰে আৰু আই চি আই চি আই ল'ম্বাৰ্ড সাধাৰণ বীমা কোম্পানী লিমিটেডৰ জৰিয়তে ইয়াক ৰূপায়ণ কৰিছে। এই আঁচনিখন ২০০৭-০৮ আৰু ২০০৮-০৯ বৰ্ষত সংশোধিত ৰূপত ৰূপায়িত হৈছে। স্বাস্থ্য বীমা আঁচনিৰ উদ্দেশ্য আৰু অন্যান্য প্ৰধান বৈশিষ্ট্যসমূহ তলত দিয়া হৈছে ঃ—

**১। উদ্দেশ্য ঃ**

স্বাস্থ্য বীমা আঁচনিৰ লক্ষ্য হৈছে দেশৰ শিপিনীসকলক সৰ্বোত্তম স্বাস্থ্য যতনৰ সেৱা গ্ৰহণৰ অৰ্থে আৰ্থিকভাৱে সমৰ্থবান কৰি তোলা। আঁচনিখনে কেৱল শিপিনীকে নহয়, তেওঁৰ গৃহস্থ বা পত্নী আৰু দুই শিশুকো সামৰি লৈছে। সেইদৰে আগৰ পৰা হৈ থকা আৰু নতুনকৈ হোৱা ৰোগক এই আঁচনিভুক্ত কৰাৰ বাবে পৰ্যাপ্ত সুবিধা ৰখা হৈছে। হস্তত‌াঁত বস্ত্ৰশিল্পৰ অধীনৰ কৰ্মীসকল যেনে — ৱাৰ্পিং, ৱাইণ্ডিং, ডায়িং, প্ৰিণ্টিং, ফিনিচিং, ছাইজিং, ঝালা মাৰ্কিং, জেকাৰ্ড কাটিং আদি এই আঁচনিৰ সকলো সুযোগ-সুবিধা লাভ কৰিবলৈ যোগ্য।

**২। আঁচনিৰ প্ৰধান দিশসমূহ ঃ**

**২.১ ধন যোগানৰ ধৰণ**

(ক) ভাৰত চৰকাৰৰ দ্বাৰা দিব লগা ঃ ৬৪২.৪৭ টকা বছৰি অংশ
(প্ৰিমিয়াম ৫৫৬.৫০ টকা)
সেৱাকৰ ৮৫.৯৭ টকা ঃ
@ ১২.৩% (২০০৭-০৮ বৰ্ষৰ বাবে)

(খ) হস্তত‌াঁত শিপিনী/ৰাজ্যিক
চৰকাৰৰ দ্বাৰা দিব লগা ঃ ১৩৯.১৩ টকা বছৰি

ৰাজ্যিক চৰকাৰে পৰিয়ালৰ হৈ অংশ দিলেও প্ৰত্যেক শিপিনীয়ে দিব লগা পৰিয়ালৰ প্ৰতি বৰঙণি ন্যূনতম ৫০ টকা।

(গ) মুঠ প্ৰিমিয়াম ঃ ৭৮১.৬০ টকা বছৰি
(সেৱাকৰ সামৰি)

**২.২ ধন আবণ্টন ঃ**

১। আঁচনিখনে সামৰি লোৱা শিপিনীৰ বাবে দিবলগীয়া প্ৰিমিয়ামৰ কেন্দ্ৰীয় চৰকাৰৰ অংশ কিস্তি কিস্তিকৈ আই চি আই চি আই ল'ম্বাৰ্ডলৈ পোনপটীয়াকৈ মোকলাই দিয়া হ'ব। প্ৰিমিয়ামৰ চৰকাৰী অংশৰ সমপৰিমাণৰ ধন আৰু সেৱা কৰ মুঠ সামৰিব লগা শিপিনীৰ সংখ্যাৰ ৩০%লৈকে প্ৰিমিয়াম কোম্পানীলৈ মোকলাই দিয়া হ'ব।

ওপৰত উল্লেখ কৰা ধনৰ ৬৬% শিপিনীক তালিকাভুক্ত কৰা কামত ব্যয় কৰা হ'লে যিকোনো সময়তে কোম্পানীয়ে হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়লৈ কামৰ অগ্ৰগতিৰ প্ৰতিবেদন পঠিয়াব লাগিব আৰু এই প্ৰতিবেদনত উল্লেখিত কামৰ তালিকাভুক্ত কৰা লোকৰ সংখ্যা আৰু পুঁজি ব্যৱহাৰৰ কথা উল্লেখ থাকিব লাগিব। কামৰ অগ্ৰগতি প্ৰতিবেদন লাভৰ পিছত, ইয়াৰ সমৰ্থনত ৰাজ্য চৰকাৰৰ পৰা হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰিত প্ৰমাণ পত্ৰ লাভ কৰিলে পৰৱৰ্তী ৩০% প্ৰিমিয়ামৰ কিস্তিৰ ধন মোকলাই দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিব। ৯০% নোহোৱা পৰ্যন্ত এইদৰে তাৰ পিছৰ অংশৰ ধন মোকলাই দিয়া হ'ব। ৯০% ধন ব্যৱহাৰ কৰাৰ প্ৰমাণ পত্ৰ লাভ কৰাৰ পিছতহে বাকী ১০% ধন মোকলাই দিয়া হ'ব।

২। ৬৯৫.৬৩ টকাৰ বাৰ্ষিক নিৰ্ধাৰিত বীমা প্ৰিমিয়ামৰ প্ৰযোজ্য ধৰণে সেৱা কৰ ভাৰত চৰকাৰে বহন কৰিব।

৩। আই. চি. আই. চি আই ল'ম্বাৰ্ডে পৰৱৰ্তী পলিচিৰ সময়লৈ ৰাহিৰ পৰিমাণ চলাই থাকিব, যদিহে দাবী কৰা ধন, পৰিশোধ কৰা ধন, আই. বি. এন. আৰ. আৰু টি. পি. এ নিৰিখ যদি অনুমোদিত বাৰ্ষিক প্ৰিমিয়ামৰ ৭০% তকৈ কম হয়।

**৩. ৰূপায়ণ কৰা এজেঞ্চি ঃ**

এই আঁচনি ভাৰত চৰকাৰৰ হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ে আই চি আই চি আই ল'ম্বাৰ্ড সাধাৰণ বীমা কোম্পানী লিমিটেডৰ জৰিয়তে ৰূপায়ণ কৰিব। সংশ্লিষ্ট ৰাজ্যত আঁচনিখনৰ সঠিকভাৱে ৰূপায়ণত হস্ততাঁতৰ ৰাজ্যিক সঞ্চালক/উদ্যোগৰ সঞ্চালক/ হস্ততাঁতৰ ভাৰপ্ৰাপ্ত বিষয়া দায়বদ্ধ থাকিব।

**৪. যোগ্যতা ঃ**

'হস্ততাঁত শিপিনীৰ স্বাস্থ্য বীমা আঁচনি'ৰ অধীনত সুবিধা লাভ কৰিবলৈ (ইয়াত 'শিপিনী' শব্দই শিপিনীৰ উপৰিও হস্ততাঁতৰ অধীনৰ কৰ্মী যেনে — যিসকলে সূতা পকোৱা, ঘূৰোৱা, ৰং কৰা, ছপোৱা, শেষ কৰা (Finishing) ছাইজিং কৰা, ঝালা মেকিং, জেকাৰ্ড কাটিং আদিত জড়িত লোকক সামৰিব, শিপিনীয়ে তলত উল্লেখ কৰা চৰ্তাৱলী পূৰণ কৰিব লাগিব।

- শিপিনীয়ে তেওঁৰ আয়ৰ কমেও ৫০% হস্ততাঁতৰ পৰা কৰিব লাগিব।
- পুৰুষ বা মহিলা শিপিনী 'স্বাস্থ্য বীমা আঁচনি'ৰ অধীনত সামৰি ল'বলৈ যোগ্য। এই আঁচনিয়ে শিপিনীৰ পৰিয়ালৰ চাৰিজনক অৰ্থাৎ নিজক, পতি-পত্নীক আৰু দুটি শিশুক সামৰিব। এই আঁচনিয়ে ১ দিনৰ পৰা বছৰ ৮০ বছৰ বয়সৰ মাজৰ লোকক সামৰিব।
- ৰাজ্যিক সঞ্চালক আৰু আই চি আই চি আইয়ে আঁচনিখন ৰূপায়ণত মহিলা শিপিনী, পুৰুষ শিপিনী, সংখ্যালঘু সম্প্ৰদায়ৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য (অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিম)ৰ শিপিনীয়ে যাতে উপযুক্তভাৱে প্ৰতিনিধিত্ব লাভ কৰে, সেইটো নিশ্চিত কৰিব লাগিব।
- আঁচনিখনৰ হিতাধিকাৰী হোৱাৰ যোগ্যতা পৰীক্ষা কৰাৰ দায়িত্ব থাকিব হস্ততাঁতৰ ৰাজ্যিক সঞ্চালকৰ।

**৫. আৱৰণ ঃ**

হস্ততাঁত শিপিনী দেশৰ ভিতৰৰ কোনো হাস্পতাল বা নাছিং হোমত চিকিৎসাধীন হ'লে আই চি আই চি আই ল'ম্বাৰ্ডে সীমাবদ্ধতা/ উপ-সীমবদ্ধতাৰ ভিত্তিত শিপিনীক ধন পৰিশোধ কৰিব / খৰচ বহন কৰিব।

**৬. নগদ ধনবিহীন সুবিধা ঃ**

আই চি আই চি আই ল'ম্বাৰ্ডে ইয়াৰ অনুমোদিত প্ৰতিনিধিৰ (তৃতীয় পক্ষৰ প্ৰশাসক) জৰিয়তে দেশব্যাপী বিভিন্ন ৰাজ্যত থকা তালিকাভুক্ত হাস্পতাল, নাৰ্ছিং হোমত নগদ ধন বিহীন চিকিৎসা সুবিধা প্ৰদান কৰিব। ইয়াৰ অৰ্থ হৈছে এজন ৰোগীয়ে যিকোনো এখন তালিকাভুক্ত হাস্পতালত বিলৰ ধন প্ৰকৃততে পৰিশোধ নকৰাকৈয়ে চিকিৎসা লাভ কৰিব পাৰে। অনুমোদিত তালিকাভুক্ত নোহোৱা চিকিৎসক বা ক্লিনিকলৈ ৰোগী যাব লগা হ'লে তেওঁ আই চি আই চি আই ল'ম্বাৰ্ড অথবা ইয়াৰ অনুমোদিত প্ৰতিনিধিক (টিপিএ) ঔষধৰ প্ৰেছকিপশ্যন আৰু ভাউচাৰ দাখিল কৰিব, যিয়ে আৱশ্যকীয় নথি-পত্ৰ আৰু তথ্যপাতি লাভ কৰাৰ পিছত ১৫ দিনৰ ভিতৰত সম্পূৰ্ণ ধন পৰিশোধ কৰাটো নিশ্চিত কৰিব।

৭. **সময় ঃ**

৭.১ বীমা কৰা লোকৰ পৰা প্ৰিমিয়াম লাভ কৰা তাৰিখৰ পৰা ১২ মাহ সময়ৰ বাবে পলিচি বৈধ থাকিব।

৭.২ এটা শিপিনীৰ পৰিয়ালে তেওঁৰ অংশৰ প্ৰিমিয়াম দিয়াৰ পিছত এবছৰৰ বাবে এই সুবিধা লাভ কৰিব, তেওঁৰ প্ৰিমিয়ামৰ অংশ প্ৰত্যেক বছৰে পৰিশোধ কৰি পলিচি আন এটা অতিৰিক্ত বৰ্ষলৈ নবীকৰণ কৰিব পৰা যাব।

৭.৩ নবীকৰণৰ সুবিধা দিয়া হ'ব। দ্বিতীয় বৰ্ষত ন্যূনতম ৮০% পলিচি নবীকৰণ হোৱা যুগুত। দ্বিতীয় নবীকৰণৰ ৮০% সম্পূৰ্ণ কৰিব নোৱাৰিলে তাৰ সিদ্ধান্তই কোম্পানীৰ পাৰদৰ্শিতাক নিম্নমানৰ হোৱা বুজাব।

৮. **উপকাৰিতা ঃ**

(টকাত)

| | |
|---|---|
| প্ৰত্যেক পৰিয়ালৰ বাৰ্ষিক সীমাবদ্ধতা (১+৩) | ১৫,০০০/- টকা |
| <u>প্ৰত্যেক পৰিয়ালৰ উপ-সীমাবদ্ধতা ঃ</u><br>সকলো আগৰ পৰা থকা বেমাৰ + নতুন বেমাৰ | ১৫,০০০/- টকা |
| মাতৃত্বকালীন উপকাৰিতা (প্ৰথম দুটা শিশুৰ প্ৰত্যেকৰ বাবে) | ২,৫০০/- টকা |
| দন্ত চিকিৎসা | ২৫০/- টকা |
| চকু চিকিৎসা | ৭৫/- টকা |
| চশমা | ২৫০/- টকা |
| ঘৰত থাকি চিকিৎসা গ্ৰহণ | ৪,০০০/- টকা |
| আয়ুৰ্বেদিক/ইউনানি/হোমিঅ'পেথিক/ছিদ্ধা | ৪,০০০/- টকা |
| চিকিৎসালয়ত ভৰ্তি হৈ চিকিৎসা গ্ৰহণ (আগৰ আৰু পিছৰ সামৰি) | ১৫,০০০/- টকা |
| শিশু আৱৰণ | ৫০০/- টকা |
| অ' পি ডি | ৭,৫০০/- টকা |
| প্ৰতিটো অসুস্থতাৰ সীমাবদ্ধতা | ৭,৫০০/- টকা |

**বৰ্জন** ঃ কৰেকটিভ কচমেটিক ছাৰ্জাৰি, এইচ আই ভি, এইড্‌ছ, ষ্টেৰিলিটি, উপদংশ সম্বন্ধীয় ৰোগ, উদ্দেশ্যপ্ৰণোদিত আত্মহনন, উত্তেজক ঔষধ বা সুৰা ব্যৱহাৰৰ চিকিৎসা, যুদ্ধ, সাম্প্ৰদায়িক সংঘৰ্ষ, ধৰ্মঘট, উগ্ৰপন্থীৰ কাৰ্যকলাপ আৰু পাৰমাণৱিক সংকত।

৯. **কাৰ্য পৰিচালনাৰ আৰ্হিসমূহ ঃ**

৯.১ হস্ততাঁতৰ ভাৰপ্ৰাপ্ত ৰাজ্যিক সঞ্চালকে আই চি আই চি আই ল'ম্বাৰ্ডৰ সৈতে মিলি শিপিনীৰ বীমা সংখ্যা চূড়ান্ত কৰিব।

৯.২ ভাৰত চৰকাৰৰ দ্বাৰা হস্ততাঁতৰ শিপিনীৰ বাবে 'স্বাস্থ্য বীমা আঁচনি'ৰ নিৰ্দেশনা জাৰি কৰা তাৰিখৰ পৰা আঁচনি কাৰ্যকৰী হ'ব।

৯.৩ আঁচনিখন ৰূপায়ণত হস্ততাঁত আৰু বস্ত্ৰৰ ৰাজ্যিক ভাৰপ্ৰাপ্ত সঞ্চালকৰ কাৰ্যালয় আৰু ইয়াৰ অধীনৰ কাৰ্যালয়বোৰ নডেল এজেঞ্চি হ'ব।

৯.৪ আঁচনিখনে সামৰি লোৱা শিপিনীৰ বাবে দিবলগীয়া প্ৰিমিয়ামৰ কেন্দ্ৰীয় চৰকাৰৰ অংশ কিস্তি কিস্তিকৈ আই চি আই চি আই ল'ম্বাৰ্ডলৈ পোনপটীয়াকৈ মোকলাই দিয়া হ'ব। প্ৰিমিয়ামৰ চৰকাৰী অংশৰ সমপৰিমাণৰ ধন আৰু সেৱা কৰ

মুঠ সামৰিব লগা শিপিনীৰ সংখ্যাৰ ৩০%লৈকে প্ৰিমিয়াম কোম্পানীলৈ মোকলাই দিয়া হ'ব।

ওপৰত উল্লেখ কৰা ধনৰ ৬৬% শিপিনীক তালিকাভুক্ত কৰা কামত ব্যয় কৰা হ'লে যিকোনো সময়তে কোম্পানীয়ে হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়লৈ কামৰ অগ্ৰগতিৰ প্ৰতিবেদন পঠিয়াব লাগিব আৰু এই প্ৰতিবেদনত উল্লেখিত কামৰ তালিকাভুক্ত কৰা লোকৰ সংখ্যা আৰু পুঁজি ব্যৱহাৰৰ কথা উল্লেখ থাকিব লাগিব। কামৰ অগ্ৰগতি প্ৰতিবেদন লাভৰ পিছত, ইয়াৰ সমৰ্থনত ৰাজ্য চৰকাৰৰ পৰা হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰিত প্ৰমাণ পত্ৰ লাভ কৰিলে পৰৱৰ্তী ৩০% প্ৰিমিয়ামৰ কিস্তিৰ ধন মোকলাই দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিব। ৯০% নোহোৱা পৰ্যন্ত এইদৰে তাৰ পিছৰ অংশৰ ধন মোকলাই দিয়া হ'ব। ৯০% ধন ব্যৱহাৰ কৰাৰ প্ৰমাণ পত্ৰ লাভ কৰাৰ পিছতহে বাকী ১০% ধন মোকলাই দিয়া হ'ব।

৯.৫ হিতাধিকাৰীয়ে তেওঁৰ প্ৰিমিয়ামৰ অংশৰ সৈতে পঞ্জীয়ন প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব আৰু সেইখন হস্ততাঁত ৰাজ্যিক সঞ্চালকক দাখিল কৰিব লাগিব। আবেদন প্ৰ-পত্ৰ হস্ততাঁতৰ ৰাজ্যিক সঞ্চালকালয়ৰ পৰা ল'ব পাৰিব বা আই চি আই চি আইৰ ল'ম্বাৰ্ডৰ পৰা শিপিনীয়ে সংগ্ৰহ কৰিব পাৰে।

৯.৬ হস্ততাঁতৰ ৰাজ্যিক সঞ্চালকালয়ে আবেদনবোৰ পৰীক্ষা কৰিব আৰু যোগ্য প্ৰমাণিত হ'লে প্ৰিমিয়াম ধন গ্ৰহণ কৰিব আৰু সেই প্ৰিমিয়ামৰ ধনৰ সৈতে হিতাধিকাৰীৰ তালিকা আই চি আই চি আইৰ ল'ম্বাৰ্ডলৈ পঠাব।

৯.৭ হস্ততাঁতৰ ৰাজ্যিক সঞ্চালকালয়ৰ পৰা প্ৰিমিয়ামৰ ধনসহ হিতাধিকাৰীৰ তালিকা পোৱাৰ পিছত আই চি আই চি আই ল'ম্বাৰ্ডে হস্ততাঁতৰ ৰাজ্যিক সঞ্চালকলৈ 'স্বাস্থ্য কাৰ্ড' প্ৰেৰণ কৰিব। ইয়াৰ লগত বীমা কৰা লোকৰ বিৱৰণ উল্লেখ থাকিব। হস্ততাঁতৰ ৰাজ্যিক সঞ্চালকালয়ে ৰূপায়ণ কৰা এজেঞ্চিৰ সৈতে মিলি ব্যক্তিগত হিতাধিকাৰীক আৱৰণৰ বিষয়ে জনোৱাৰ ব্যৱস্থা কৰিব।

৯.৮ হস্ততাঁত শিপিনীয়ে বীমাৰ সময়ছোৱাত এখন সমিতি বা অনুষ্ঠানৰ পৰা আন এখনলৈ কৰ্মক্ষেত্ৰ বদলি কৰে, তেতিয়া তেওঁ আঁচনিখনৰ হিতাধিকাৰী হিচাপে ৰাজ্য চৰকাৰক এই বিষয়ে জনাব লাগিব।

৯.৯ আঁচনিখন হস্ততাঁতৰ শিপিনীয়ে যোগদান কৰাত সচেতনতা বৃদ্ধিৰ দ্বাৰা সাৰ্থক ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যিক চৰকাৰ আৰু ৰাজ্যিক হস্ততাঁত নিগম, শীৰ্ষ/প্ৰাথমিক হস্ততাঁত শিপিনী সমবায় সমিতি আদিয়ে সক্ৰিয়ভাৱে সংগঠিত হৈ কাম কৰিব।

৯.১০ আই চি আই চি আই ল'ম্বাৰ্ডে মুঠ তালিকাভুক্ত লোকৰ তালিকাৰ মাহেকীয়া প্ৰতিবেদন হস্ততাঁতৰ ভাৰপ্ৰাপ্ত আয়ুক্ত, ৰাজ্যিক সঞ্চালকক দাখিল কৰিব। তেওঁলোকে এনে তালিকাভুক্ত লোকৰ সংখ্যা আৰু উচিত পৰীক্ষাৰ পিছত স্বাস্থ্য কাৰ্ড ইছ্যু কৰাৰ প্ৰমাণ-পত্ৰ দিব।

৯.১১ হস্ততাঁতৰ ৰাজ্যিক সঞ্চালকালয়ে আৱৰণ আৰু আপত্তি নিষ্পত্তিৰ সবিশেষ উল্লেখ কৰি প্ৰত্যেক মাহৰ ১০ তাৰিখে হস্ততাঁত উন্নয়ন আয়ুক্ত, বস্ত্ৰ মন্ত্ৰণালয়লৈ সাময়িক প্ৰতিবেদন পঠাব।

## ১০. দাবীৰ পদ্ধতি (Claim Procedure)

### (i) পৰিকল্পিতভাৱে চিকিৎসালয়ত ভৰ্তি

(ক) এজন ৰোগীয়ে নিজৰ পছন্দ অনুসৰি চুক্তিবদ্ধ যিকোনো হাস্পতাল, নাৰ্ছিং হোমলৈ যাব পাৰে। এনে হাস্পতালৰ এখন তালিকা আই চি আই চি আই ল'ম্বাৰ্ডৰ দ্বাৰা যোগান ধৰা হ'ব। তালিকাৰ প্ৰতিলিপি ৱেবচাইট www.handlooms.nic.in টো ৰখা হ'ব।

(খ) সংশ্লিষ্ট তালিকাভুক্ত হাস্পতাল, নাৰ্ছিং হোমৰ দ্বাৰা আই চি আই চি আই ল'ম্বাৰ্ড বা ইয়াৰ প্ৰতিনিধিলৈ ৰোগীৰ নাম, পলিচি নং, ৰোগৰ প্ৰকৃতি, হাস্পতালৰ নামৰ বিষয়ে জনাব লাগিব। আই চি আই চি আই ল'ম্বাৰ্ডৰ দ্বাৰা তৃতীয় পক্ষৰ প্ৰতিনিধি (টি পি এ) বা যোগাযোগ ৰক্ষা কৰা লোকৰ তালিকা যোগান ধৰা হ'ব।

(গ) নগদবিহীন সুবিধা লাভ কৰিবলৈ বীমাকৃত লোকলৈ আই চি আই চি আই ল'ম্বাৰ্ডৰ দ্বাৰা শিপিনীৰ পৰিচয়-পত্ৰ প্ৰদান কৰা হ'ব। কাৰ্ডত আই চি আই চি আই ল'ম্বাৰ্ড বা ইয়াৰ প্ৰতিনিধিৰ সবিশেষ, ফোন নম্বৰ, হেল্প লাইন নম্বৰ উল্লেখ

থাকিব। ইয়াৰ উপৰি তালিকাভুক্ত হাস্পতালে আই চি আই চি আই ল'ম্বাৰ্ডলৈ বা ইয়াৰ প্ৰতিনিধিলৈ যি অনুমোদন আবেদন প্ৰেৰণ কৰে তালৈ ১২ ঘণ্টাৰ ভিতৰত অনুমোদন প্ৰদান-পত্ৰ প্ৰেৰণ কৰিব।

(ঘ) ৰোগীয়ে চিকিৎসা ল'ব, বিলত স্বাক্ষৰ কৰিব আৰু মুকলি হৈ আহিব। ধন পৰিশোধ কৰিব নালাগে।

(ii) **জৰুৰীকালীন চিকিৎসালয়ত ভৰ্তি**

(ক) ৰোগীক যিকোনো তালিকাভুক্ত হাস্পতাললৈ জৰুৰীভাবে নিব পাৰে।

(খ) হাস্পতালত আই ডি কাৰ্ড দাখিল কৰি চিকিৎসা লাভ কৰিব পাৰিব। একে সময়তে পৰিয়ালে হেল্প লাইনৰ জৰিয়তে আই চি আই চি আই ল'ম্বাৰ্ড বা ইয়াৰ প্ৰতিনিধিৰ (চি পি এ) লগত যোগাযোগ কৰিব পাৰে আৰু প্ৰাক অনুমোদন প্ৰদান পত্ৰ দাখিল কৰিব পাৰে। আই চি আই চি আই ল'ম্বাৰ্ড বা ইয়াৰ অনুমোদিত প্ৰতিনিধিয়ে (টি পি এ) হাস্পতাললৈ অনুমোদন শীঘ্ৰে ফেক্স কৰিব লাগে।

(গ) ৰোগীয়ে চিকিৎসা ল'ব, বিলত স্বাক্ষৰ কৰিব আৰু অব্যাহতি লৈ আহিব। ধন পৰিশোধ কৰিব নালাগে।

(iii) **ধন পুনৰ ঘূৰাই দিয়া দাবী**

ৰোগীয়ে নেটৱৰ্ক/তালিকাভুক্ত হাস্পতালৰ উপৰি অন্য চিকিৎসক বা ক্লিনিকত চিকিৎসা ল'ব পাৰে। শিপিনীয়ে হাস্পতালৰ বিলৰ সকলো ধন পৰিশোধ কৰি বিষয়টো নিষ্পত্তি কৰিব পাৰে। বীমা কোম্পানীয়ে দেশৰ ভিতৰত কোম্পানীৰ তালিকাভুক্ত নোহোৱা যিকোনো হাস্পতাল বা নাৰ্ছিং হোমত শিপিনীয়ে চিকিৎসাৰ সময়ত কৰা খৰচ পুনৰ ঘূৰাই দিব, অৱশ্যে সীমাবদ্ধতা আৰু উপ-সীমাবদ্ধতাৰ ভিত্তিত আৰু অনুমোদিত চি জি এইচ এছ নিৰিখৰ অধিক নহয়। শিপিনীয়ে প্ৰেছক্ৰিপশ্যন আৰু ঔষধৰ ভাউচাৰ বীমা কোম্পানী বা টি পি এক দাখিল কৰিব পাৰে, যিটোৱে সকলো আৱশ্যকীয় নথি-পত্ৰ আৰু তথ্য লাভ কৰাৰ ১৫ দিনৰ ভিতৰত সম্পূৰ্ণ ধন পৰিশোধ কৰাটো নিশ্চিত কৰিব।

(iv) **সাহাৰ্য্য**

অতিৰিক্তভাৱে যিকোনো সাহায্যৰ বাবে দেশব্যাপী আই চি আই চি আই ল'ম্বাৰ্ডৰ ৰাজ্যিক সমন্বয়কক যোগাযোগ কৰিব পাৰে। আই চি আই চি আই ল'ম্বাৰ্ডৰ দ্বাৰা স্থানীয় ভাষাত তেনে বিষয়া/যোগাযোগ কৰা লোকৰ তালিকা যোগান ধৰা হ'ব। এই তালিকাৰ প্ৰতিলিপি ৱেবছাইট www.handloom.nic.in আৰু বাতৰি কাকতত উপলব্ধ হ'ব।

২. ছপা কৰা তালিকাৰ উপৰি আই চি আই চি আই ল'ম্বাৰ্ডে হাস্পতাল, নাৰ্ছিং হোম, টি পি এ আৰু আই চি আই চি আই ল'ম্বাৰ্ডৰ সবিশেষ ইয়াৰ লগত জড়িত সকলো চৰকাৰী অনুষ্ঠানৰ ৱেবছাইটত সঠিকভাৱে ৰাখিব। ইয়াৰ তালিকাৰ প্ৰতিলিপি ৱেবছাইট www.handloom.nic.inত উপলব্ধ হ'ব।

**১১. আই চি আই চি আই ল'ম্বাৰ্ডৰ ভূমিকা**

১. আই চি আই চি আই ল'ম্বাৰ্ডে বা ইয়াৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিয়ে (টি পি এ) হস্ততাঁত শিপিনীৰ চিকিৎসাৰ বাবে মধ্যম শ্ৰেণীৰ হাস্পতাল/ নাৰ্ছিং হোমৰ এখন তালিকা ৰাজ্যিক চৰকাৰ আৰু হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব। এই তালিকাখন প্ৰতি তিনি মাহৰ অন্তত নবীকৰণ কৰা হ'ব।

২. আই চি আই চি আই ল'ম্বাৰ্ডে বা ইয়াৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিয়ে (টি পি এ)স্বাস্থ্য বীমা আঁচনিৰ অধীনৰ হাস্পতালৰ এখন তালিকা ৰাজ্যিক চৰকাৰক দাখিল কৰিব। দেশত হস্ততাঁতৰ কমেও ২৫০টা থূপ হস্ততাঁত শিপিনীৰ অ' পি ডি/আই পি ডি নগদ ধন বিহীন সুবিধাৰ বাবে হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয় আৰু ৰাজ্য চৰকাৰৰ পৰামৰ্শত তেওঁলোকে সংযোজন-বিয়োজন কৰিব পাৰে।

৩. আঁচনিখন সফল কৰাত আই চি আই চি আই ল'ম্বাৰ্ডে সকলো পদক্ষেপ গ্ৰহণ কৰা উচিত। আঁচনিখনৰ অধীনত শিপিনীক তৎকালীন আৱৰণৰ বাবে আই চি আই চি আই ল'ম্বাৰ্ডে হিতাধিকাৰী চিনাক্তকৰণ, প্ৰ-পত্ৰ যোগাৰ কৰা, নিৰ্দেশনা দিয়া আদি প্ৰস্তুতিমূলক পদক্ষেপ গ্ৰহণত হস্ততাঁতৰ ৰাজ্যিক ভাৰপ্ৰাপ্ত সঞ্চালকৰ সংস্পৰ্শত থাকিব।

৪. আই চি আই চি আই ল'ম্বাৰ্ডে বা ইয়াৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিয়ে (টি পি এ) ছপা আৰু বৈদ্যুতিক মাধ্যমত বিজ্ঞাপনসহ বিভিন্ন উপায়েৰে দেশব্যাপী হস্ততাঁতৰ শিপিনীৰ মাজত আঁচনিখন জনপ্ৰিয়কৰণত সকলো পদক্ষেপ গ্ৰহণ কৰিব।

৫. আই চি আই চি আই ল'ম্বাৰ্ডে আঁচনিখন, হিতাধিকাৰী সম্পৰ্কীয় এই তথ্য মাতৃভাষাত প্ৰচাৰ কৰিব। এই বিষয়ত গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কত হস্ততাঁত উন্নয়ন আয়ুক্ত আৰু ৰাজ্যিক চৰকাৰক অৱগত কৰাব।

৬. অ. পি. ডিৰ অধীনত হস্ততাঁত শিপিনীৰ মেডিকেল বিলৰ বিষয়টো সোনকালে সমাধান কৰিবলৈ, আই চি আই চি আই ল'ম্বাৰ্ডে বা ইয়াৰ প্ৰতিনিধিয়ে ৪৭০টা প্ৰধান হস্ততাঁত থূপৰ ভিতৰত কমেও ২৫০টা হস্ততাঁত থূপত কাৰ্যালয় মুকলি কৰিব, আঁচনি ৰূপায়ণৰ এমাহৰ ভিতৰত এই কাৰ্যালয় মুকলি কৰিব লাগিব।

৭. আই চি আই চি আই ল'ম্বাৰ্ডে প্ৰত্যেক মাহৰ ২০ তাৰিখে হস্ততাঁতৰ উন্নয়ন আয়ুক্তৰ কাৰ্যালয়লৈ বীমা কৰা লোকৰ সংখ্যা, পুঁজি ব্যৱহাৰ আৰু দাবী নিষ্পত্তিৰ কথা উল্লেখ কৰি মাহেকীয়া অগ্ৰগতিৰ প্ৰতিবেদন পঠাব লাগিব।

৮. আই চি আই চি আই ল'ম্বাৰ্ডে স্বাস্থ্য বীমা আঁচনিখনৰ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ প্ৰত্যেক মাহৰ ১৮ তাৰিখে হস্ততাঁতৰ ভাৰপ্ৰাপ্ত আয়ুক্ত সঞ্চালকৰ লগত বৈঠক অনুষ্ঠিত কৰিব। এই দিনটো যদি চৰকাৰী বন্ধৰ দিন হয়, তেতিয়া পৰৱৰ্তী কৰ্মৰত দিনৰ বৈঠক অনুষ্ঠিত হ'ব। বীমা কোম্পানীয়ে তেওঁলোকৰ দাবী নিষ্পত্তিকৰণ বিভাগৰ পৰা ৰাজ্যৰ অংক আগতিয়াকৈ যোগানৰ ব্যৱস্থা কৰিব। আই চি আই চি আই লম্বাৰ্ডে বিশেষকৈ ধন পৰিশোধ আৰু পুনৰ ধন ঘূৰাই দিয়া আদি বিষয় সমাধা কৰাত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

# একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা (অৰ্থাৎ ২০০৭-০৮ ৰ পৰা ২০১১-১২লৈ)ৰ সময়ছোৱাত মহাত্মা গান্ধী বুনকৰ বীমা যোজনা MGBBY ৰূপায়ণৰ নিৰ্দেশাৱলী

**পাতনি**

ভাৰত চৰকাৰে ২০০৩ চনত ‘বুনকৰ বীমা যোজনা’ প্ৰৱৰ্তন কৰে, যিটো জনশ্ৰী বীমা যোজনা আৰু গোট বীমাৰ যৌথ আঁচনি আৰু ভাৰতীয় জীৱন বীমা নিগমৰ সহযোগত আঁচনিখন ৰূপায়ণ কৰা হৈছে। ২০০৫-০৬ৰ পৰা আঁচনিখন পৰিশুদ্ধ কৰা হৈছে আৰু ‘মহাত্মা গান্ধী বুনকৰ বীমা যোজনা’ নামেৰে পৰিশোধিত আঁচনিখন ৰূপায়ণ কৰা হৈছে।

একাদশ পৰিকল্পনাৰ সময়ছোৱাত মহাত্মা গান্ধী বুনকৰ বীমা যোজনাখন বৰ্ধিত উপকাৰিতাৰে ৰূপায়ণ কৰা হ’ব। আঁচনিখন ২০০৭-০৮ৰ পৰা ২০১১-১২ ৰ সময়ছোৱাৰ ভিতৰত প্ৰত্যেক বছৰৰ সৰ্বাধিক নবীকৰণ বিষয়সহ ৬৬,৬৬,৬৬৫ জন শিপিনীক সামৰিব।

**উদ্দেশ্য ঃ**

‘মহাত্মা গান্ধী বুনকৰ বীমা যোজনা’ৰ প্ৰধান উদ্দেশ্য হৈছে স্বাভাৱিক আৰু দুৰ্ঘটনাজনিত মৃত্যু আৰু সম্পূৰ্ণ অথবা আংশিক অক্ষম হস্ততাঁত শিপিনীক বৰ্ধিত বীমাৰে সামৰি লোৱা।

**যোগ্যতা ঃ**

১। আঁচনিখনৰ অধীনত সাহায্য লাভ কৰিবলৈ শিপিনীয়ে তলত উল্লেখ কৰা চৰ্তাৱলী পূৰণ কৰিব লাগিব।

- শিপিনীয়ে তেওঁৰ আয়ৰ কমেও ৫০ শতাংশ হস্ততাঁত শিল্পৰ পৰা কৰিব লাগিব।
- এই আঁচনিখনৰ অধীনত ১৮ৰ পৰা ৫৯ বছৰ ভিতৰত সকলো শিপিনী, পুৰুষ বা মহিলা আৰু সংখ্যালঘু, মহিলা শিপিনীৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ শিপিনী সামৰি ল’বৰ যোগ্য।
- আঁচনিখনৰ অধীনত ৰাজ্যিক হস্ততাঁত উন্নয়ন নিগম, শীৰ্ষ / প্ৰাথমিক হস্ততাঁত শিপিনী সমবায় সমিতিৰ সকলো শিপিনীক সামৰি লোৱা হ’ব। ৰাজ্যিক হস্ততাঁত সঞ্চালকালয়ে যোগ্যতাৰ চৰ্তাৱলী পূৰণ কৰা বুলি প্ৰমাণ পত্ৰ দিলে সমবায়ৰ বাহিৰৰ শিপিনীকো আঁচনিখনৰ অধীনত সামৰি ল’ব পৰা যায়।
- আঁচনিখনৰ অধীনত সামৰিব খোজা শিপিনীৰ যোগ্যতা পৰীক্ষা কৰি চোৱাৰ বাবে হস্ততাঁতৰ ভাৰপ্ৰাপ্ত সঞ্চালক দায়িত্বত থাকিব।
- আঁচনিখন ৰূপায়ণৰ সময়ত মহিলা শিপিনী, সংখ্যালঘু শিপিনী আৰু উত্তৰ-পূবৰ ৰাজ্যৰ (অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিম) শিপিনীক যাতে উপযুক্তভাৱে প্ৰতিনিধিত্ব দিয়া হয়, সেইটো নিশ্চিত কৰাৰ দায়িত্ব ৰাজ্যিক ভাৰপ্ৰাপ্ত সঞ্চালক আৰু এল আই চিৰ।

**প্ৰশাসন ঃ**

ৰাজ্যৰ হস্ততাঁতৰ ভাৰপ্ৰাপ্ত প্ৰাধিকাৰীয়ে ভাৰতীয় জীৱন বীমা নিগমৰ সৈতে মিলি শিপিনীৰ বীমা আৱৰণ চূড়ান্ত কৰিব।

**বীমা আৱৰণৰ প্ৰধান বৈশিষ্ট্যসমূহ**

১। এই আঁচনিখন ভাৰতীয় জীৱন বীমা নিগমৰ দ্বাৰা পৰিচালিত কৰা হ’ব।

২। ৰাজ্যত হস্ততাঁত শিল্পৰ ভাৰপ্ৰাপ্ত প্ৰাধিকাৰীয়ে ভাৰতীয় জীৱন বীমা নিগমৰ সৈতে মিলি শিপিনীৰ বীমা আৱৰণ চূড়ান্ত কৰিব।

**উপকাৰিতা**

| ক্ৰমিক নং | উপকৃত হোৱা সময় ১-১০-০৭ তাৰিখৰ পৰা |
|---|---|
| (i) স্বাভাৱিক মৃত্যু | ৬০,০০০/- টকা |
| (ii) দুৰ্ঘটনাজনিত মৃত্যু | ১,৫০,০০০/- টকা |
| (iii) সম্পূৰ্ণ অক্ষমতা | ১,৫০,০০০/- টকা |
| (iv) আংশিক অক্ষমতা | ৭৫,০০০/- টকা |

**প্ৰিমিয়াম**

প্ৰতিজন লোকৰ বাৰ্ষিক প্ৰিমিয়াম ৩৩০/- টকাৰ অংশ তলত দিয়াৰ দৰে হ'ব ঃ

| | |
|---|---|
| ভাৰত চৰকাৰৰ অৰিহণা | ১৫০/- টকা |
| শিপিনীৰ অৰিহণা | ৮০/- টকা |
| এল আই চিৰ অৰিহণা | ১০০/- টকা |
| মুঠ প্ৰিমিয়াম | ৩৩০/- টকা |

## **কাৰ্য পৰিচালনাৰ আদৰ্শসমূহ** (Modelites)

১। আঁচনিখন প্ৰত্যেক বছৰে নবীকৰণীয় আৰু প্ৰতি বছৰৰ নবীকৰণৰ প্ৰিমিয়াম নিৰ্দিষ্ট কৰা দিনত পৰিশোধ কৰিলেহে বীমাৰ আৱৰণ ধাৰাবাহিকভাৱে চলি থাকিব। হিতাধিকাৰীয়ে প্ৰিমিয়ামৰ ধনৰ পৰিমাণ এবাৰতে গোটেই বছৰৰ বাবে ভাৰতীয় জীৱন বীমা নিগমক পৰিশোধ কৰিব লাগিব। এই আঁচনিখন কাৰ্যকৰীকৰণ হ'ব ১-১০-২০০৭ তাৰিখৰ পৰা।

২। এবাৰ পৰিশোধ কৰা প্ৰিমিয়াম ঘূৰাই দিয়া নহ'ব।

৩। নবীকৰণীয় সৰ্বাধিক সংখ্যা প্ৰত্যেক বছৰে বিলোপনীয় হ'ব। বীমা আৱৰণ কেৱল প্ৰিমিয়ামৰ সম্পূৰ্ণ পৰিমাণ অৰ্থাৎ চৰকাৰী আৰু হিতাধিকাৰীৰ অংশ লাভ কৰাৰ পিছতহে সাধাৰণভাৱে ফলপ্ৰসূ হ'ব। কোনো অসাধাৰণ অৱস্থাত প্ৰিমিয়ামৰ চৰকাৰী অংশ দিব পৰা নহ'লে, এল আই চি চিয়ে হিতাধিকাৰীৰ অংশ গ্ৰহণ কৰিব আৰু সেই অনুসৰি ইয়াৰ বীমাৰ আৱৰণে সামৰিব।

৪। আঁচনিখন ৰূপায়ণত ৰাজ্যিক হস্ততাঁত আৰু বস্ত্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালকৰ কাৰ্যালয় আৰু এইক্ষেত্ৰত ইয়াৰ অধীনস্থ কাৰ্যালয় হ'ব নডেল এজেঞ্চি। নডেল এজেঞ্চিয়ে বীমাকৃত লোকৰ হৈ বীমাৰ আৱৰণ সম্পৰ্কীয় সকলো কাম কৰিব। এল আই চিয়ে হস্ততাঁতৰ ভাৰপ্ৰাপ্ত ৰাজ্যিক সঞ্চালকৰ সৈতে মিলি এই আঁচনিৰ অধীনত সৰ্বাধিক আৱৰণৰ বাবে হিতাধিকাৰী চিনাক্তকৰণ, প্ৰ-পত্ৰ যোগাৰ কৰা, পথনিৰ্দেশনা দিব।

৫। হিতাধিকাৰীয়ে এখন আৱেদন তথা মনোনয়ন প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব আৰু তেওঁ তাৰ প্ৰিমিয়ামৰ অংশৰ সৈতে এইখন নডেল এজেঞ্চিক দাখিল কৰিব লাগিব। এল আই চিৰ দ্বাৰা যোগান ধৰা আৱেদন প্ৰ-পত্ৰ নডেল এজেঞ্চিত পোৱা যাব। এই ক্ষেত্ৰত মেডিকেল প্ৰমাণ-পত্ৰৰ প্ৰয়োজন নাই আৰু আত্ম প্ৰমাণ-পত্ৰই যথেষ্ট।

৬। ওপৰত উল্লেখ কৰা বস্তুবোৰ পোৱাৰ পিছত নডেল এজেঞ্চিয়ে আবেদন পত্ৰ পৰীক্ষা কৰিব আৰু যদি সকলো ঠিকে ঠাকে পায়, তেতিয়া প্ৰিমিয়ামৰ ধন গ্ৰহণ কৰিব আৰু প্ৰিমিয়ামৰ ধনৰ সৈতে হিতাধিকাৰীৰ এনে তালিকা এল আই চিলৈ পঠিয়াব।

৭। নডেল এজেঞ্চিৰ পৰা হিতাধিকাৰীৰ তালিকাসহ প্ৰিমিয়ামৰ ধন লাভ কৰাৰ পিছত এল আই চিয়ে এই আঁচনিয়ে সামৰি লোৱা সকলো শিপিনলৈ কাৰ্ড, প্ৰমাণ-পত্ৰ ইছ্যু কৰিব আৰু ইয়াক এনেদৰে প্ৰস্তুত কৰা বাঞ্ছনীয় যাতে নবীকৰণৰ মাহ/তাৰিখ উল্লেখ থাকে। কাৰ্ডবোৰ স্থানীয় ভাষাত হোৱা যুগুত। এইটো কৰা হ'লে এল আই চি চিৰ পৰা তেওঁৰ প্ৰাপ্য দাবী কৰিবলৈ শিপিনী সক্ষম হ'ব।

৮। মৃত্যু বা অক্ষম হ'লে উত্তৰাধিকাৰী/হিতাধিকাৰীৰ সংশ্লিষ্টই তেওঁৰ প্ৰাপ্যৰ দাবী নডেল এজেঞ্চিৰ জৰিয়তে এল আই চিক কৰিব লাগিব। এইক্ষেত্ৰত আৱশ্যকীয় নথি-পত্ৰৰ প্ৰমাণ যেনে— মৃত্যুৰ প্ৰমাণ পত্ৰ- মৰণোত্তৰ পৰীক্ষাৰ ৰিপ'ৰ্ট, মেডিকেল প্ৰমাণ পত্ৰ, অব্যাহতি দিয়া প্ৰমাণ পত্ৰ আৰু অন্যান্য আৱশ্যকীয় নথি-পত্ৰ প্ৰযোজ্য অনুসৰি দাখিল কৰিব লাগিব। আপত্তি লাভ কৰাৰ ১৫ দিনৰ ভিতৰত নডেল এজেঞ্চিয়ে এল আই চিলৈ এই আপত্তি প্ৰেৰণ কৰিব। এল আই চিয়ে দাবী পত্ৰ লাভ কৰা তাৰিখৰ পৰা এমাহৰ ভিতৰত এইটো নিষ্পত্তি কৰিব আৰু হিতাধিকাৰী/উত্তৰাধিকাৰীক প্ৰত্যক্ষভাৱে একাউন্ট পেই চেকৰ দ্বাৰা (নডেল এজেঞ্চিক জ্ঞাত কৰি) অথবা নডেল এজেঞ্চিৰ জৰিয়তে ধন পৰিশোধ কৰিব।

৯। পৰৱৰ্তী বৰ্ষৰ বাবে হিতাধিকাৰীৰ দ্বাৰা বীমাৰ প্ৰিমিয়াম পৰিশোধ কৰা নহ'লে বীমাৰ আৱৰণ নিজে নিজে বন্ধ হৈ পৰিব। অৱশ্যে হিতাধিকাৰীয়ে আৱশ্যকীয় প্ৰিমিয়াম পৰিশোধ কৰি পিছৰ যিকোনো বৰ্ষতে আঁচনিখনত যোগদান কৰিব পাৰিব।

১০। হস্ততাঁতৰ শিপিনীয়ে বীমা কৰা সময়ছোৱাৰ ভিতৰত এখন ছ'চাইটী বা নিগমৰ পৰা আন এটালৈ তেওঁৰ কৰ্মক্ষেত্ৰ পৰিৱৰ্তন ঘটালে তেওঁ আঁচনিখনৰ হিতাধিকাৰী হিচাপে নডেল এজেঞ্চিক এই কথা জনাব লাগিব।

১১। ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক হস্ততাঁত নিগম/শীৰ্ষ /প্ৰাথমিক হস্ততাঁত শিপিনী সমবায় সমিতি/সন্থা/ সংঘই বিজ্ঞাপনৰ ছপা আৰু অন্য মাধ্যমেৰে হস্ততাঁত শিপিনীৰ সচেতনতা বৃদ্ধিৰ দ্বাৰা আঁচনিখন ৰূপায়ণত সক্ৰিয়ভাৱে দায়িত্ব পালন কৰিব।

১২। নডেল এজেঞ্চিয়ে বস্ত্ৰ মন্ত্ৰণালয়ৰ হস্ততাঁত উন্নয়ন আয়ুক্তলৈ সময়ে সময়ে আৱৰণ আৰু দাবী নিষ্পত্তিৰ সবিশেষ উল্লেখ কৰি প্ৰতিবেদন দাখিল কৰিব লাগিব।

**অতিৰিক্ত সুবিধাসমূহ ঃ**

১। 'মহাত্মা গান্ধী বুনকৰ বীমা যোজনা' আঁচনিয়ে সামৰি লোৱা পিতৃ-মাতৃৰ শিশুক শিক্ষা সহযোগ যোজনা'ৰ অধীনত জলপানিও দিয়ে।

২। নৱম মানৰ পৰা দ্বাদশ শ্ৰেণীৰ ভিতৰত অধ্যয়নৰত প্ৰতিটো শিশুক সৰ্বাধিক ৪ বছৰৰ বাবে বা দ্বাদশ শ্ৰেণী সম্পূৰ্ণ কৰা পৰ্যন্ত, যিটোৱেই সোনকালে হয়, প্ৰতি তিনি মাহত ৩০০/- টকা জলপানি পৰিশোধ কৰা হয়। এই জলপানি হ'ল শৈক্ষিক বৰ্ষ জুনৰ পৰা মে'লৈ।

৩। বীমা আৱৰণে সামৰি লোৱা সদস্যৰ দুটা শিশুৰ মাজত এই সুবিধা সীমাবদ্ধ থাকিব। লিংগভিত্তিক প্ৰভেদ নিৰ্বিশেষে উভয় শিশুক জলপানিৰ বাবে সামৰা হ'ব।

৪। যদি এজন ছাত্ৰ অনুত্তীৰ্ণ হয় আৰু একে শ্ৰেণীতে থাকে, সেই ছাত্ৰ পৰৱৰ্তী বৰ্ষত একে শ্ৰেণীত একে জলপানি লাভ কৰিবলৈ যোগ্য নহ'ব। এম জি বি বি ৱাই শিক্ষা সহযোগ যোজনাৰ অধীনত যি শিপিনী সম্প্ৰদায়ৰ আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে, সেই কথা পোহৰলৈ অনা আৰু অন্য শিপিনীৰ শিশুৰেও নিজকে প্ৰতিযোগিতালৈ আনিবলৈ উৎসাহ পায়।

৫। এবাৰ এজন লোক মহাত্মা গান্ধী বুনকৰ বীমা যোজনাৰ অধীনত অন্তৰ্ভুক্ত হ'লে, এই আঁচনিৰ অধীনত হিতাধিকাৰী বাছনিৰ সময়ত পুনৰ আয়ৰ প্ৰমাণ পত্ৰৰ প্ৰয়োজন নহয়।

৬। জলপানি লাভ কৰা পিতৃ-মাতৃ অথবা নডেল এজেঞ্চিৰ কোনোলোককে প্ৰিমিয়াম ধাৰ্য কৰা নহয়। মহাত্মা গান্ধী বুনকৰ বীমা যোজনাৰ অধীনত সামৰি লোৱা পিতৃ-মাতৃৰ শিশুৰ বাবে এইটো এটা অতিৰিক্ত সুবিধা আগবঢ়োৱা

হৈছে। মহাত্মা গান্ধী বুনকৰ বীমা যোজনাৰ প্ৰিমিয়াম যদি বাৰ্ষিক নবীকৰণৰ তাৰিখত দিয়া নহয়, তেনেক্ষেত্ৰত সেই শিশু জলপানিৰ বাবে যোগ্য নহ'ব।

৭। মহাত্মা গান্ধী বুনকৰ বীমা যোজনাৰ অধীনৰ তেওঁলোকৰ মাজৰ সদস্যৰ পৰা 'শিক্ষা সহযোগ যোজনা'ৰ হিতাধিকাৰী বাছনি কৰিব লাগে। এখন ৰাজ্যৰ লক্ষ্য স্থিৰ কৰা হিতাধিকাৰী ছাত্ৰ ৰাজ্যখনত মহাত্মা গান্ধী বুনকৰ বীমা যোজনাৰ অধীনত থকা হিতাধিকাৰীৰ সংখ্যাৰ সমানুপাতেৰে ভাগ কৰিব পৰা যায়। যিহেতু জলপানিৰ সংখ্যা সীমিত আৰু যিকোনো লিংগ প্ৰভেদ নোহোৱাকৈ কৰা হয়, সেয়ে চূড়ান্ত বাছনি কৰা হ'ব দুখীয়াৰ মাজত আটাইতকৈ দুখীয়াৰ ভিত্তিত।

৮। মহাত্মা গান্ধী বুনকৰ বীমা যোজনাৰ সদস্যৰ যিবোৰ শিশু জলপানিৰ বাবে যোগ্য হ'ব, তেওঁলোকে এখনি আবেদন প্ৰ-পত্ৰ (নডেল এজেঞ্চিত উপলব্ধ) পূৰণ কৰিব লাগিব আৰু নডেল এজেঞ্চিত দাখিল কৰিব লাগিব। নিয়মীয়াকৈ পূৰণ কৰা আৰু প্ৰমাণিকৃত আবেদন হিতাধিকাৰী ছাত্ৰৰ তালিকাৰ সৈতে নডেল এজেঞ্চিয়ে সংশ্লিষ্ট এল আই চি পি এণ্ড জি. এছ ইউনিটলৈ 'শিক্ষা সহযোগ যোজনাৰ অধীনত বৃত্তিৰ ধন মুকলিৰ বাবে প্ৰেৰণ কৰিব। সংশ্লিষ্ট নডেল এজেঞ্চিৰ দ্বাৰা জলপানি ছাত্ৰক দিয়া হ'ব।

৯। এল আই চিয়ে হিতাধিকাৰী ছাত্ৰৰ তালিকাসহ নডেল এজেঞ্চিলৈ একাউণ্ট পেই চেক পঠাব আৰু তাৰ পৰা যোগ্য ছাত্ৰক এই জলপানি দিয়া হ'ব। নডেল এজেঞ্চিয়ে ইয়াৰ ৰেকৰ্ড ৰাখিব আৰু ব্যৱহাৰৰ প্ৰমাণ পত্ৰ সময়ে সময়ে এল আই চি, পি এণ্ড জি এছ ইউনিটলৈ পঠাব লাগিব।

**আপত্তিৰ নিয়মাৱলী ঃ**

মৃত্যু হোৱা হিতাধিকাৰী সদস্যৰ উত্তৰাধিকাৰীয়ে নডেল এজেঞ্চিক মৃত্যুৰ মূল প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব, আৰু আপত্তি কাগজ-পত্ৰৰ সৈতে এইখন এল আই চি য'ত প্ৰথমতে বীমা আৱৰণ চূড়ান্ত কৰা হৈছিল সেই শাখালৈ পঠোৱাৰ ব্যৱস্থা কৰিব। এল আই চিয়ে হিতাধিকাৰীলৈ পোনপটীয়াকৈ একাউন্ট পেয়ী চেক প্ৰেৰণৰ দ্বাৰা আপত্তি নিষ্পত্তি কৰিব। অৱশ্যে এই সংক্ৰান্তত সংশ্লিষ্ট ৰাজ্য চৰকাৰ আৰু হস্তওঁাত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ক জনাব লাগিব। দুৰ্ঘটনাজনিত আপত্তি হ'লে পলিচি অনুসন্ধান প্ৰতিবেদন দাখিল কৰিব লাগিব। সবিশেষ পদ্ধতি হ'ব ঘাইকৈ এল আই চিৰ সামাজিক সুৰক্ষা গোট আঁচনি পদ্ধতিমৰ্মে।

**পুঁজি মুকলি**

১। পুঁজি মুকলি কৰিবলৈ এল আই চি আৰু ৰাজ্যৰ হস্তওঁাতৰ ভাৰপ্ৰাপ্ত প্ৰাধিকাৰীয়ে এম জি বি বি ৱাইৰ অধীনত সামৰা শিপিনী চিনাক্ত কৰিব লাগিব। হস্তওঁাত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়, ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ে ইয়াৰ অংশৰ প্ৰিমিয়াম ভাৰতীয় জীৱন বীমা নিগমলৈ অগ্ৰিমভাৱে প্ৰেৰণ কৰিব। আঁচনিখনৰ অধীনত সামৰা হস্তওঁাত শিপিনীৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি ইয়াৰ পিছৰ ধন মুকলিৰ বাবে কৰা প্ৰত্যেক পিছৰ অনুৰোধৰ লগত উত্থাপন কৰা আপত্তি আৰু নিষ্পত্তি কৰা বীমা কোম্পানীৰ কাম-কাজৰ টোকা থাকিব লাগিব।

২। **সবিশেষ জানিবৰ বাবে তলৰ ঠিকনাত যোগাযোগ কৰক ঃ**

| | | যোগাযোগ কৰিবলগীয়া লোক |
|---|---|---|
| ১। ভাৰতীয় জীৱন বীমা নিগম, গুৱাহাটী | নামনি অসম, মেঘালয়ৰ বাবে | শ্ৰীউমেশ শৰ্ম্মা<br>সহকাৰী শাখা পৰিচালক,<br>এল আই চি আই , গুৱাহাটী<br>ম'বাইল ঃ ৯৪৩৫০-৯০০৫৯ |
| ২। এল আই চি আই যোৰহাট মাণ্ডলিক কাৰ্যালয়, যোৰহাট | নাগালেণ্ড, অৰুণাচল প্ৰদেশ উজনি অসমৰ বাবে | শ্ৰীৰাতুল শৰ্ম্মা<br>সহকাৰী শাখা পৰিচালক<br>ম'বাইল ঃ ৯৪৩৫০-৩৫৯৫১ |
| ৩। এল আই চি আই শিলচৰ সংমণ্ডল শিলচৰ | শিলচৰ, আগৰতলা ত্ৰিপুৰা, মিজোৰাম মণিপুৰৰ বাবে | শ্ৰীচি আৰ মিত্ৰ, শাখা পৰিচালক<br>ম'বাইলঃ ৯৪৩৫২-৬৪৭৭১ |
| ৪। আই চি আই চি আই ল'ম্বাৰ্ড সাধাৰণ বীমা | ১। ত্ৰিপুৰা<br>২। নগালেণ্ড<br>৩। মণিপুৰ<br>৪। মিজোৰাম<br>৫। মেঘালয়<br>৬। অৰুণাচল প্ৰদেশ<br>৭। চিকিম | শ্ৰীঅপৰাজিত ভূএগ্রা<br>৯৭০৬০-১০৪৪৯ |
| | ৮। অসম | ডঃ ৰিশা নেওগ<br>৯৭০৬০-১০৪৫৮ |
| ৫। সংশ্লিষ্ট ৰাজ্যৰ ৰাজ্যিক হস্তুতাঁত সঞ্চালকালয় | | |
| | | |

| | | |
|---|---|---|
| ৬। ডব্লিউ এছ চি<br>গুৱাহাটী | অসম, মেঘালয়<br>অৰুণাচল প্ৰদেশ<br>আৰু ছিকিম | সঞ্চালক<br>ডব্লিউ এছ চি গুৱাহাটী<br>ফোন ঃ ০৩৬১-২৩০২৫৯৯<br>২৩০৩১৮৯, ২৩০৩৫৮৬<br>ফেক্স ঃ ২৩০২৫৯৯ |
| | ই-মেইল ঃ wscguw@yahoo.com | |
| ৭। ডব্লিউ এছ চি<br>ইম্ফল | মণিপুৰ আৰু<br>নাগালেণ্ডৰ বাবে | উপ সঞ্চালক<br>ডব্লিউ, এছ, চি, ইম্ফল<br>ফোন ঃ ০৩৮৫-২৪৫১২০৪<br>ফেক্স ঃ ০৩৮৫-২৪৫১২০৪ |
| ৮। ডব্লিউ. এছ. চি<br>আগৰতলা | ত্ৰিপুৰা আৰু<br>মিজোৰামৰ বাবে | উপ-সঞ্চালক<br>ডব্লিউ. এছ. চি আগৰতলা<br>ফোন ঃ ০৩৮১-২৩২৪২৫৫<br>ফেক্স ঃ ঐ |